Total No. of Pages—8

**36T ADAS**

# 2026

## ADVANCE ASSAMESE

*Full Marks* : 100

*Pass Marks* : 30

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions.*

### *Allotment of Marks*

| | | |
|---|---|---|
| Q. No. **1** carries *1* mark each | ... | 1×3 = 3 |
| Q. No. **2** carries *4* marks | ... | = 4 |
| Q. No. **3** carries *4* marks | ... | = 4 |
| Q. No. **4** carries *3* marks each | ... | 3×3 = 9 |
| Q. No. **5** carries *1* mark each | ... | 1×3 = 3 |
| Q. No. **6** carries *6* marks | ... | = 6 |
| Q. No. **7** carries *3* marks each | ... | 3×2 = 6 |
| Q. No. **8** carries *8* marks | ... | = 8 |
| Q. No. **9** carries *8* marks | ... | = 8 |
| Q. No. **10** carries *4* marks | ... | = 4 |
| Q. No. **11** carries *5* marks | ... | = 5 |
| Q. No. **12** carries *5* marks | ... | = 5 |

| | | |
|---|---|---|
| Q. No. **13** carries *6* marks | ... | = 6 |
| Q. No. **14** carries *4* marks | ... | = 4 |
| Q. No. **15** carries *6* marks | ... | = 6 |
| Q. No. **16** carries *4* marks | ... | = 4 |
| Q. No. **17** carries *6* marks | ... | = 6 |
| Q. No. **18** carries *6* marks | ... | = 6 |
| Q. No. **19** carries *1* mark each | ... | 1×3 = 3 |
| | | Total = 100 |

---

১। চমু উত্তৰ দিয়াঁ (যিকোনো তিনিটা) : ১×৩=৩

(ক) প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতাটিৰ নাম উল্লেখ কৰাঁ।

(খ) "ই যে মাতৃ আদেশ,
সন্তান-প্ৰাণ দিবলকে বলিদান।"

কবিতাটিত উল্লেখ থকা এই মাতৃগৰাকী কোন?

(গ) অৰ্থ লিখাঁ :

অভ্ৰভেদী, চণ্ড

(ঘ) সীতানাথ ব্ৰহ্মচৌধুৰীৰ দ্বাৰা ৰচিত এখন কবিতাপুথিৰ নাম লিখাঁ।

(ঙ) 'কাঞ্চনজংঘাৰ বুৰঞ্জী'—এই কবিতাটিৰ প্ৰথম স্তৱকৰ মাজত কোনগৰাকী দেৱতাৰ গুণ আৰু কাৰ্য প্ৰতিফলিত হৈছে?

২। (ক) 'মোৰ গাঁও' কবিতাটিত প্ৰকাশ পোৱা কবিৰ অতীত ৰোমন্থনৰ এটি বিৱৰণ দিয়াঁ। ৪

*অথবা*

(খ) 'কাঞ্চনজংঘাৰ বুৰঞ্জী' শীৰ্ষক কবিতাটিৰ মাজেৰে প্ৰকাশিত প্ৰাচীন আৰু নতুন ভাৰতৰ ছবিখন তোমাৰ ভাষাৰে বৰ্ণনা কৰাঁ।

৩। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰাঁ (যিকোনো এছোৱা) : ১+৩=৪

(ক) বহৰৈ বিপথে অতি ক্ষুদ্ৰ নদী যত।
কৰৈ অকাৰ্যক যেন ধনৰ গৰ্বত॥

(খ) বিশ্বৰ সৌন্দৰ্য্য খনি! জন্মভূমি তই মাথো
এচমকা ব্ৰহ্মাণ্ডৰ হিয়া;

(গ) বিৰহ-কাতৰ মই, বিৰহত মৰো দেই-পুৰি,
অ' মোৰ প্ৰাণৰ প্ৰিয়া, ক'ত যাম তোমাক বিচাৰি।

৪। তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখাঁ : ৩×৩=৯

(ক) অম্বিকাগিৰি ৰায়চৌধুৰীয়ে কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল? তেওঁ সম্পাদনা কৰা দুখন আলোচনীৰ নাম লিখাঁ। ১+২=৩

(খ) "এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ।"

কবিয়ে কিয়, কি প্ৰসংগত এনেদৰে কৈছে? ১+২=৩

(গ) জ্যোতিপ্ৰসাদ আগৰৱালাই ৰচনা কৰা তিনিখন নাটকৰ নাম লিখাঁ। ৩

(ঘ) অৰ্থ লিখাঁ : ৩

পৈশন্ত ; ছন্ন ; পলুৰংগা।

(ঙ) শংকৰদেৱৰ দ্বাৰা ৰচিত তিনিখন ভক্তিতত্ত্বমূলক গ্ৰন্থৰ নাম লিখাঁ। ৩

৫ । চমু উত্তৰ লিখাঁ (যিকোনো তিনিটা) : ১×৩=৩

(ক) "বিহুৱে কাকো দুখ নিদিয়ে, সকলোকে ৰং দিয়ে......."
কোনে এনেদৰে লিখিছিল?

(খ) বেদ চাৰিখনৰ নাম উল্লেখ কৰাঁ।

(গ) 'লাইহাৰাওবা' নৃত্য উত্তৰ-পূৰ্বাঞ্চলৰ কোনখন ৰাজ্যত প্ৰচলিত?

(ঘ) কোনটো সংস্কৃত শব্দৰ পৰা 'বিহু' শব্দৰ উৎপত্তি হৈছে?

(ঙ) সাধাৰণতে পুৰাণৰ লক্ষণ কেইটা?

৬ । (ক) অতীত ভাৰতৰ আৰ্য ঋষি-মুনিসকলে বুৰঞ্জী নিলিখাৰ কাৰণ সন্দৰ্ভত বেজবৰুৱা ডাঙৰীয়াই 'বুৰঞ্জীৰ দৌৰাত্ম্য' পাঠটিত ব্যংগাত্মকভাৱে কোৱা কথাখিনি তোমাৰ নিজৰ ভাষাৰে বৰ্ণনা কৰাঁ। ৬

*অথবা*

(খ) "মাধৱদেৱৰ ঋণ অসমীয়া জাতিয়ে কেতিয়াও পৰিশোধ কৰিব নোৱাৰে।" তোমাৰ পাঠৰ আধাৰত কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰাঁ।

৭ । চমু টোকা লিখাঁ (যিকোনো দুটা) : ৩×২=৬

(ক) আসামবন্ধু

(খ) ৰামায়ণ

(গ) লক্ষ্মীধৰ শৰ্মা

(ঘ) ড০ প্ৰফুল্লদত্ত গোস্বামী

৮ । (ক) "কপিলীয়েই কপিলীপৰীয়া মানুহৰ জীৱন। কপিলী জীয়া নৈ................ সিহঁতৰ জীৱন আৰু মৃত্যুৰ স'তে এই জীয়া নৈখন মিহলি হৈ থাকে।"
'কপিলীপৰীয়া সাধু' উপন্যাসখনৰ আধাৰত উক্ত কথাখিনিৰ অন্তৰ্নিহিত তাৎপৰ্য বিশ্লেষণ কৰাঁ। ৮

*অথবা*

(খ) "জেলত সি বুজিলে—বন্দী মানুহৰ মাজতো উকীল, মহৰি, খেতিয়ক, বনুৱা ভাগ আছে। মণি উকীল, বিমলা মাষ্টৰ এওঁলোক বেলেগে থাকে। খোৱা বোৱাও বেলেগ.........।"

উপন্যাসখনত বৰ্ণিত জেলৰ ভিতৰভাগৰ কথাবোৰ তোমাৰ নিজৰ ভাষাৰে লিখাঁ।

৯। (ক) 'পাতচেলা' স্কুলৰ পণ্ডিতগৰাকীৰ নাম কি? তেওঁৰ আচল ঘৰ ক'ত? ১+১=২

(খ) "এই বাঘেখোৱা; এই কেইদিন অহা নাই কিয়? পঢ়া-শুনাত মন নাই?"

ইয়াত বাঘেখোৱা বুলি কাক সম্বোধন কৰা হৈছে? তেওঁ ক'লৈ অহা নাছিল? তেওঁক কোনে এইদৰে ডবিয়াইছিল? ১+১+১=৩

(গ) 'ৰজা-পোৱালী' কোন? তেওঁ ক'ত বাস কৰিছিল? তেওঁৰ পুতেকৰ নামটো লিখাঁ। ১+১+১=৩

১০। তলত দিয়া যিকোনো এজনৰ বিষয়ে চমুকৈ লিখাঁ : ৪

(ক) সোণপাহী

(খ) তিলক গোঁসাই

(গ) ভণ্ডুৱা ভকত

১১। (ক) বাপধনক কেন্দ্ৰ কৰি বাপেক পুতেকৰ মাজত কেনেধৰণৰ কাজিয়াৰ সূত্ৰপাত হৈছিল? তোমাৰ পাঠ্যপুথিৰ 'হাতী' গল্পটোৰ আধাৰত বৰ্ণনা কৰাঁ। ৫

*অথবা*

(খ) "পদ্মেশ্বৰৰ নেতৃত্বত আমি বহুত উৎপাতেই স্কুলত কৰিছিলো..........।"

পদ্মেশ্বৰৰ নেতৃত্বত চলা সেই উৎপাতবোৰ তোমাৰ ভাষাৰে বৰ্ণনা কৰাঁ।

১২। (ক) পদ্মেশ্বৰৰ ডাঙৰ ছোৱালীজনীৰ নাম কি? ১

(খ) 'আমাৰ ছাৰ' গল্পটোত উল্লিখিত বন্ধুকেইজনৰ ভিতৰত আটাইতকৈ টেঙৰ বন্ধুজনৰ নাম উল্লেখ কৰা। তেওঁৰ উপ-নামটো কি? ১+১=২

(গ) "........বাবু, বাবু, অ' মোৰ বাপধন...... ।"
বাপধন কোন? তেওঁক কোনে বাবু বুলি সম্বোধন কৰিছিল? ১+১=২

১৩। (ক) চুটিগল্প বুলিলে কি বুজা? চুটিগল্পৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰাঁ। ২+৪=৬

*অথবা*

(খ) উপন্যাসৰ ইংৰাজী প্ৰতিশব্দ কি? উপন্যাসৰ বিভিন্ন প্ৰকাৰবোৰৰ বিষয়ে চমুকৈ উল্লেখ কৰাঁ। ১+৫=৬

১৪। তলৰ যিকোনো এটাৰ বিষয়ে চমুকৈ লিখাঁ : ৪

(ক) উপন্যাসৰ উপাদান

(খ) সামাজিক উপন্যাস

(গ) চুটিগল্পৰ নিৰ্মাণশৈলী

১৫। (ক) অলংকাৰ কাক বোলে? অলংকাৰৰ প্ৰধান ভাগ দুটা কি কি? বহলাই লিখাঁ। ১+১+৪=৬

*অথবা*

(খ) চমু টোকা লিখাঁ : ৩+৩=৬

অনুপ্ৰাস আৰু উপমা

১৬। (ক) কাব্যত অলংকাৰৰ প্ৰয়োজনীয়তা সম্পৰ্কে চমুকৈ লিখাঁ। ৩

(খ) 'অলংকাৰ সৰ্বস্ব' নামৰ গ্ৰন্থখনৰ ৰচকগৰাকীৰ নাম লিখাঁ। ১

১৭। অসমীয়া চুটিগল্পৰ আৰম্ভণি কালচোৱাৰ গল্পকাৰসকলৰ পৰিচয় দি এটি প্ৰবন্ধ যুগুত কৰাঁ। ৬

১৮। ৰজনীকান্ত বৰদলৈৰ উপন্যাসকেইখনৰ বিষয়ে আলোচনা কৰাঁ। ৬

১৯। চমু উত্তৰ লিখাঁ (যিকোনো তিনিটা) : ১×৩=৩

(ক) অসমীয়া চুটিগল্পৰ জনক কোন?

(খ) ৰজনীকান্ত বৰদলৈয়ে জনজাতীয় জীৱনক লৈ ৰচনা কৰা উপন্যাসখনৰ নাম কি?

(গ) ‘পানীপথ’ (১৯৩০) উপন্যাসৰ ৰচকগৰাকীৰ নাম লিখাঁ।

(ঘ) ‘ব্যৰ্থতাৰ দান’ (১৯৩৮)—কোনগৰাকী গল্পকাৰৰ গল্প সংকলন?

(ঙ) ‘বীণা বৰুৱা’ কোনগৰাকী সাহিত্যিকৰ ছদ্মনাম?

★★★